**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-03-2026 **Time :** 0755 Hrs.

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নলবাৰীৰ চামতাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰীশ্বাহে সুৰক্ষিত আৰু বিকশিত অসম গঢ়াৰ সংকল্পক অধিক শক্তিশালী কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি জাগীৰোড আৰু বোকাখাতত প্ৰচাৰ চলাব। তেওঁ অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীনবীনে কালি মাৰ্ঘেৰিটা, জোনাই আৰু গোগামুখত বিজয় সংকল্প সভাত অংশ লয়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গৃহ সমষ্টি জালুকবাৰীত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে তেওঁ কাৰ্বি আংলং জিলাৰ বোকাজান, বকলীয়া আৰু বৈঠালাংছ'ত নিৰ্বাচনী সভাত ভাগ লয়। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঢকুৱাখনা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী নৱ কুমাৰ দলেৰ হৈ ঘিলামৰাত প্ৰচাৰ অভিযানত অংশ লয়।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই দলীয় প্ৰাৰ্থীৰ হৈ ৰাজ্যত প্ৰচাৰ চলাইছে। শ্ৰীখাৰ্গেই কালি লখিমপুৰ জিলাৰ নাওবৈচাত আয়োজিত পৰিৱৰ্তন সভাত অংশ লৈ কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে ৫টা প্ৰতিশ্ৰুতিৰে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

চৰাইদেউ জিলাৰ চাহ বাগিচা অঞ্চলত ভোটদাতাৰ মন জয় কৰাৰ লক্ষ্যৰে কালি ঝাৰখণ্ড মুক্তি মৰ্চাৰ মুৰব্বী হেমন্ত চোৰেণে সোণাৰি সমষ্টিৰ জয় ভাৰত দলৰ প্ৰাৰ্থী বলদেৱ তেলীৰ সমৰ্থনত প্ৰচাৰ অভিযানত ভাগ লয়।

অসম জাতীয় পৰিষদৰ সভাপতি তথা খোৱাং সমষ্টিৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ, শিৱসাগৰত বিজেপি প্ৰাৰ্থী কুশল দুৱৰী আৰু ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে প্ৰচাৰ চলাই আছে। শিলচৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী ডাঃ ৰাজদীপ ৰায়ৰ হৈ ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড০ মাণিক সাহাই নিৰ্বাচনী সভাত অংশ লয়।

০০০০০০০

যোৰহাট আৰ্বৰ্তন ভৱনত কালি যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত বিধানসভা সমষ্টিসমূহৰ প্ৰাৰ্থীসকলৰ ব্যয় পঞ্জীয়নৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়। এই কাৰ্যসূচীত ৯৯ নম্বৰ টিয়ক বিধানসভা সমষ্টি আৰু ১০০ নম্বৰ যোৰহাট বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ব্যয় পৰ্যৱেক্ষক আই আৰ এছ বি জ্যোতি কিৰণ, ১০১ নম্বৰ মৰিয়নি বিধানসভা সমষ্টি আৰু ১০২ নম্বৰ তিতাবৰ সমষ্টিৰ বাবে নিয়োজিত ব্যয়

পৰ্যৱেক্ষক আই আৰ এ এছ্ নিখিল আগৰৱালৰ লগতে সহকাৰী আয়ুক্তসকল আৰু অন্যান্য বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি লখিমপুৰ জিলাৰ সন্মিলন কেন্দ্ৰত নিৰীক্ষকসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণৰ সময়ত আই এছ্ বিষয়া শ্ৰী ৰঘুবীৰে নিৰীক্ষকসকলৰ সকলো সুবিধাৰ প্ৰতি গুৰুত্ব আৰোপ কৰে।

ইপিনে জিলাখনৰ কেইবাটাও অঞ্চলত কালি ভোটাৰ সজাগতা অভিযান চলোৱা হয়। এই অভিযানত ভোটদাতাসকলৰ মাজত বিহুৰ জৰিয়তে ভোটদানৰ প্ৰতি আগ্ৰহী কৰিবলৈ প্ৰচেষ্টা চলোৱা দেখা যায়। লগতে **তোমাৰ ভোট, তোমাৰ কণ্ঠ, তোমাৰ শক্তি** বাৰ্তাৰে সংস্কৃতি উদযাপন আৰু গণতন্ত্ৰক শক্তিশালী কৰাৰ বাবে বাৰ্তা প্ৰেৰণ কৰা হয়।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ অংশ হিচাপে ৮৫ বছৰ ঊৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ বাবে ঘৰত ভোটদান প্ৰক্ৰিয়া কালিৰে পৰা যোৰহাট জিলাত অনুষ্ঠিত হৈছে। জিলাখনৰ চাৰিওটা সমষ্টিতে এই বিশেষ ভোটদান প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰশাসনে ইতিমধ্যে যাৱতীয় ব্যৱস্থা সম্পূৰ্ণ কৰিছে। আৰক্ষীৰ নিৰাপত্তাৰ মাজত সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে ভোটদানৰ ব্যৱস্থা কৰা হৈছে। নিৰ্ধাৰিত ভোটগ্ৰহণকাৰী বিষয়াৰ দলে ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিছে। জিলাখনত কালি ১০৭ বছৰ বয়সীয়া স্বাধীনতা সংগ্ৰামী খগেশ্বৰ গগৈকে ধৰি বহুকেইগৰাকী জ্যেষ্ঠ নাগৰিকে তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচন উপলক্ষে শ্ৰীভূমি জিলা প্ৰশাসনৰ উদ্যোগত বেলট আৰু পোষ্টেল বেলট পেপাৰ কোষৰ কাম সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰিটাৰ্নি বিষয়াৰ ফেচিলিটেচন কেন্দ্ৰ মুকলি কৰা হৈছে। বিভিন্ন দায়িত্ব পালনৰ বাবে এই কেন্দ্ৰটোত কেইবাগৰাকীও কৰ্মচাৰী নিয়োগ কৰা হৈছে। অহা দুই এপ্ৰিলৰ পৰা ছয় এপ্ৰিললৈ কেন্দ্ৰটো পুৱা ১০ বজাৰ পৰা আবেলি চাৰে চাৰি বজালৈ খোলা থাকিব। ইয়াত নিৰ্বাচনী দায়িত্বত নিয়োজিত ভোটদাতাসকলৰ বাবে পোষ্টেল বেলট, পঞ্জীয়ন সংৰক্ষণ আদি প্ৰয়োজনীয় সকলো কাম সম্পন্ন কৰা হ'ব।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ'-ওমৰো সংযোগী পথত কালি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হয়। নিহত যুৱকজন সঞ্জু তেৰাং বুলি জানিব পৰা গৈছে। ইতিমধ্যে বৈঠালাংছ' আৰক্ষীয়ে যুৱকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিফু চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে। আনহাতে এই দুৰ্ঘটনাত অনুপম লহকৰ নামৰ আন এজন যুৱকো গুৰুতৰভাৱে আহত হয়। সঞ্জু তেৰাঙৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০০

**সমাপ্ত**